**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-04-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
**::::::::::::::::::::::::::::::::::::**

ৰাজ্য খনত দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত হবলগীয়া লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসনাধিষ্ঠিত বিজেপিৰ লগতে অন্যান্য ৰাজনৈতিক দলসমূহে নিৰ্বাচন হবলগীয়া দৰং-ওডালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁ সমষ্টিত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নগাওঁ জিলাৰ জুৰীয়াত দলৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে সাধাৰণ ৰাইজৰ সমস্যা উপলব্ধি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন এন ডি এ চৰকাৰে তেওঁলোকক প্ৰাপ্য সুবিধা প্ৰদান কৰি আহিছে বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে আজি দৰং-ওডালগুৰি লোকসভা সমষ্টিৰ এন ডি এ প্ৰাৰ্থী দিলীপ শইকীয়াৰ সমৰ্থনত ছিপাঝাৰ, মঙ্গলদৈ, নাগৰিজুলিত প্ৰচাৰ চলাই। প্ৰচাৰ সভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে  বিজেপি নেতৃত্বাধীন চৰকাৰে বিগত সময়ছোৱাত ৰাজ্যখনৰ সকলো স্তৰৰ জনসাধাৰণৰ কল্যাণৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী আৰু বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে আজি ওডালগুৰি জিলাৰ শিমলুগুৰিত দৰং-ওডালগুৰি সমষ্টিৰ প্ৰাৰ্থী গৰাকীৰ হৈ প্ৰচাৰ চলায়। ইপিনে মন্ত্ৰী পিযুষ হাজৰিকাই আজি নগাওঁ সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ সমষ্টিটোৰ দক্ষিণপাটত প্ৰচাৰ চলায়। কংগ্ৰেছ দলৰ নগাওঁ সমষ্টিৰ প্ৰাৰ্থী প্ৰদ্যু বৰদলৈয়ে আজি মৰিগাওঁত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে অংশ লয় বিজেপিৰ অৰ্থনৈতিক নীতিৰ তীব্ৰ সমালোচনা কৰে। কংগ্ৰেছ দলৰ সভাপতি ভূপেন কুমাৰ বৰাইও বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।  ইফালে বাক্সা জিলাৰ জালাহত আজি গণসুৰক্ষা পাৰ্টীৰ কোকৰাঝাৰ সমষ্টিৰ প্ৰাৰ্থী বিনীতা ডেকাই প্ৰচাৰ চলায়। তৃতীয় পৰ্যায়ত নিৰ্বাচন হবলগীয়া গুৱাহাটী সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি সমষ্টিটোত ছখন কৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

০০০০০

ৰাজ্যখনত দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈছে।  আজি বিয়লি কৰিমগঞ্জ জিলা আয়ুক্তৰ কাৰ্যালয়ত নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত এখন সংবাদ মেল অনুষ্ঠানত হয়। এই সংবাদ মেলত জিলাখনৰ আয়ুক্ত মৃদুল যাদৱ, আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতীম দাসৰ লগতে ভালসংখ্যক শীৰ্ষ বিষয়া উপস্থিত থাকে। মৰিগাঁও জিলাত আজি আত্মসহায়ক গোটৰ মহিলাসকলে ভোটদানৰ বাবে জনসাধাৰণক সজাগ কৰিবলৈ বিশেষ কাৰ্যসূচী গ্ৰহণ কৰে। আজি জিলাখনৰ ৮৫ খন গাঁও পঞ্চায়ত আৰু ১১ টা ৱাৰ্ডত মহিলাসকলে শোভাযাত্ৰা উলিয়ায়। উল্লেখযোগ্য যে জিলাখনত ২৯টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব। আনহাতে ৬টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ, এটা মহিলা

দিব্যাংগ ভোটগ্ৰহণকাৰীৰ দ্বাৰা পৰিচালিত হ'বলগীয়া কেন্দ্ৰ থাকিব। জিলাখনত ভোটদাতাসকলক গণতান্ত্ৰিক অধিকাৰৰ গুৰুত্ব সম্পৰ্কত সজাগ কৰাৰ বাবে ব্যাপক সজাগতা কাৰ্যসূচী অব্যাহত আছে। জিলাখনত প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ অভিযানৰ অংশ হিচাপে ভালেমান কাৰ্যসূচী লোৱা হৈছে।

০০০০০

অৰুণাচল প্ৰদেশৰ চাৰিটা বিধানসভা সমষ্টিৰ আঠটা ভোটগ্ৰহণ কেন্দ্ৰত কাইলৈ বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে এই ভোটগ্ৰহণ কেন্দ্ৰকেইটাত যোৱা ১৯ এপ্ৰিলত বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল যদিও নিৰ্বাচন আয়োগে পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিয়ে। বামেং আৰু নিয়াপিন বিধানসভা সমষ্টিৰ এটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ, ৰুমগং সমষ্টিৰ দুটা আৰু নাছ' বিধানসভা সমষ্টিৰ চাৰিটা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পুৱা ৬ বজাৰ পৰা বিয়লি ২ বজালৈ ভোটগ্ৰহণৰ সময় ধাৰ্য কৰা হৈছে। ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পাছত একেদিনাই এই ভোটগ্ৰহণ কেন্দ্ৰকেইটাত 17A প্ৰপত্ৰৰ পৰীক্ষা কৰা হ'ব।

০০০০০

অসম লোকসেৱা আয়োগৰ পৰীক্ষা কেলেংকাৰীৰ গোচৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বন্ধ খামৰ ভিতৰত তদন্তৰ অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰে। তদন্তকাৰী সংস্থাটোৰ হৈ ৰাজ্য চৰকাৰৰ অধিবক্তাই এই প্ৰতিবেদন দাখিল কৰে। উল্লেখযোগ্য যে আয়োগৰ পৰীক্ষাত অনিয়মেৰে উত্তীৰ্ণ হৈ একাংশ  বিষয়াই চাকৰি লাভ কৰা বিষয় সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে তদন্ত চলাই আহিছে। বিষয়টো সন্দৰ্ভত তদন্ত চলাই গোটটোৱে বহুকেইগৰাকীক গ্ৰেপ্তাৰ কৰাৰ লগতে আন বহুতকে জেৰা কৰিছিল। ইয়াৰ পাছতে গোটে উচ্চ ন্যায়ালয়ত তদন্তৰ অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰে।

০০০০০

২০২৪-২৫ বৰ্ষত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ **দৰ্পণ** নামভৰ্তি প'ৰ্টেল আজিৰে পৰা মুকলি কৰা হৈছে। এই সন্দৰ্ভত শিক্ষা সংসদে জাৰি কৰা নিৰ্দেশনা অনুসৰি ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন শিক্ষানুষ্ঠানত নাম ভৰ্তিৰ বাবে www.darpan.ahseconline.in বা www.ahsec.assam.gov.in ৰ জৰিয়তে অনলাইন আবেদন কৰিব পাৰিব। আজিৰে পৰা ২ মে' পৰ্যন্ত ছাত্ৰ-ছাত্ৰীসকলে অনলাইন আবেদন কৰিব পাৰিব। এনে আবেদনৰ পিছত সংশ্লিষ্ট শিক্ষানুষ্ঠানে ৩ মে'ৰ পৰা ৪ মে'ৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ যোগ্যতা তালিকা, অপেক্ষাৰ তালিকা প্ৰস্তুত কৰিব। ৬ মে'ৰ পৰা ৮ মে'ৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষানুষ্ঠানসমূহত নামভৰ্তি কৰিব লাগিব।

০০০০০

ঃসমাপ্তঃ